# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। নিৰ্বাচন আয়োগে ৰাজ্যত নিয়োগ কৰা ১৩৬ গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষকৰ আজি দায়িত্ব গ্ৰহণ।
২। বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ।
৩। আসন্ন বিধানসভা নিৰ্বাচন সুকলমে সম্পন্ন কৰাৰ বাবে ৰাজ্যৰ প্ৰতিখন জিলা প্ৰশাসনৰ তৎপৰতা অৱলম্বন।
৪। জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা লোকসভাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ দল ত্যাগ। **আৰু**
৫। ৫৬ সংখ্যক ছিংগাপুৰ ৰাষ্ট্ৰীয় সাঁতোৰ চেম্পিয়নশ্বিপত অসমৰ আস্থা চৌধুৰীৰ নতুন অভিলেখ গঢ়ি স্বৰ্ণ পদক অৰ্জন।

০০০০০০

নিৰ্বাচন আয়োগে অসম বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে ১৩৬ গৰাকী কেন্দ্ৰীয় পৰ্যৱেক্ষক নিয়োগ কৰিছে। ইয়াৰে ৫১ গৰাকী সাধাৰণ, ৫০ গৰাকী ব্যয় আৰু ৩৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক। তেওঁলোকক ততাতৈয়াকৈ সংশ্লিষ্ট বিধানসভা সমষ্টিৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে যোগাযোগ নম্বৰ ৰাজহুৱা কৰিবলৈ আৰু নিৰ্বাচন বিষয়ক ওজৰ-আপত্তি দাখিলৰ বাবে প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু ৰাইজৰ প্ৰতিনিধিৰ সাক্ষাতৰ বাবে সময় নিৰ্দিষ্ট কৰি দিবলৈ আয়োগে নিৰ্দেশ দিছে। নিৰ্বাচন আয়োগে লগতে ৰাজনৈতকি দল, বিষয়া আৰু মন্ত্ৰীসকললৈও বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি মন্ত্ৰীসকলক চৰকাৰী কৰ্তব্যৰ সৈতে নিৰ্বাচনী প্ৰচাৰক এককাৰ নকৰিবলৈ তথা নিৰ্বাচনী প্ৰচাৰত চৰকাৰী যন্ত্ৰ, ব্যক্তি বা পৰিবহন ব্যৱহাৰ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে চৰকাৰী বিষয়াসকলক নিৰ্বাচনী আদৰ্শ আৰু নিৰপেক্ষতা বৰ্তাই ৰাখিবলৈ তথা ৰাজনৈতিক দলসমূহক সভা, সমদলৰ বিষয়ে আগতীয়াকৈ আৰক্ষীক অৱগত কৰিবলৈ আৰু নিষেধাজ্ঞাসমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডঃ ৰবি কোটাইয়ো ইতিমধ্যে প্ৰশাসনিক বিষয়া তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হৈ সকলো নীতি-নিৰ্দেশনা তথা সম্পূৰ্ণ নিৰপেক্ষতা বৰ্তাই ৰাখিবলৈ নিৰ্দেশ দিছে।

ভাৰতৰ নিৰ্বাচন আয়োগে লগতে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া আন কেইখন ৰাজ্য কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ বাবেও ৯৭৫ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰিছে। কেৰালামৰ বাবে ৫১ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ১৭ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৪০ গৰাকী ব্যয় পৰ্যবেক্ষক, তামিলনাডুৰ বাবে ১৩৬ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৪০ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১৫১ গৰাকী ব্যয় পৰ্যবেক্ষক তথা পশ্চিমবংগৰ বাবে ২৯৪ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৮৪ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১০০ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। লগতে ১৭ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৪ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১৭ গৰাকী ব্যয় পৰ্যবেক্ষক পুডুচেৰীৰ বাবে নিৰ্বাচনী আয়োগে নিয়োগ কৰিছে। উপ নিৰ্বাচনৰ বাবেও ৮ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৮ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৮ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। আম আদমী পাৰ্টিয়ে কালি ৬টা সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। বঢ়মপুৰ সমষ্টিত ৰানু মাই টেৰনপিক, ডিফু সমষ্টিত

বিৰেশ ডিফইচাক, যোৰহাট সমষ্টিত প্ৰণৱ প্ৰিয়াংশু দত্তক, উত্তৰ কৰিমগঞ্জ সমষ্টিত ছাইনুল হক, পলাশবাৰী সমষ্টিত এলভিন বৰুৱা আৰু দিছপুৰ সমষ্টিত বল্লৱ পাত্ৰক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। ইপিনে এ আই ইউ ডি এফ দলেও কালি ১২টা সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৱে প্ৰথমখন প্ৰাৰ্থীৰ তালিকাত ৯টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছিল। এ আই ইউ ডি এফ দলে কালি দলটোৰ উপ-সভাপতি তথা বিধায়ক আমিনুল ইছলামক দলীয়া অনুশাসন ভংগ আৰু দল বিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ তথ্য পোৱাৰ পাছতেই তেওঁক দলটোৰ পৰা ৬ বছৰৰ বাবে অব্যাহতি দিয়ে। এটা প্ৰেছ বিবৃতিযোগে এ আই ইউ ডি এফ দলৰ সাধাৰণ সম্পাদক তথা বিধায়ক হাফিজ বছিৰ আহমেদে আমিনুল ইছলামক অব্যাহতি দিয়া বুলি প্ৰকাশ কৰে।

অসম জাতীয় পৰিষদ দলে কালি ৮টা সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিত আৰু কাৰ্যকৰী সভাপতি ৰাজেন গোহাঁইয়ে বঢ়মপুৰ সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়াব।

বিজেপিয়ে আজি নিশা বা কাইলৈৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। নতুন দিল্লীত কালি অনুষ্ঠিত বিজেপিৰ সংসদীয় পৰিষদৰ বৈঠকত মুখ্যমন্ত্ৰী, ৰাজ্যিক বিজেপিৰ সভাপতিকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাই দলৰ কেইবাগৰাকীও কেন্দ্ৰীয় নেতাৰ সৈতে মিলিত হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত বিজেপিৰ প্ৰাৰ্থীৰ তালিকা সন্দৰ্ভত এনেদৰে প্ৰকাশ কৰে।

**বাইট (চি এম)**

অহা ২০ মাৰ্চত বি পি এফৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব বুলি বি টিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰিছে। মুছলপুৰত কালি বি পি এফৰ সকলো উপ সমিতিৰ এখন বৈঠকত অংশগ্ৰহণ কৰে।

ইপিনে, নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ সংগ্ৰহ প্ৰক্ৰিয়াও আৰম্ভ হৈছে। চি পি আই এম দলৰ নেতা তথা সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে কালি বজালী জিলা নিৰ্বাচনী কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰে।

উল্লেখযোগ্য যে, ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে নিৰ্বাচনী প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ বাবে ৰাজ্যৰ প্ৰতিখন জিলা প্ৰশাসনে তৎপৰতা অৱলম্বন কৰিছে। আসন্ন বিধানসভাৰ নিৰ্বাচন স্বচ্ছ আৰু সুচাৰুৰূপে পৰিচালনা কৰাৰ লক্ষ্যৰে শিৱসাগৰ জিলা প্ৰশাসনে এটা নিৰ্দেশনাযোগে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ কাৰ্যালয়ত এটা নিৰ্বাচন নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। জিলাখনৰ নিৰ্বাচন সম্পৰ্কীয় ওজৰ-আপত্তি বা অভিযোগ দাখিল কৰিবৰ বাবে দুটাকৈ নম্বৰ মুকলি কৰি দিছে।

ইপিনে বৰপেটা জিলাত কালি জিলাখনৰ নিৰ্বাচনী প্ৰক্ৰিয়া সূচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনৰ উদ্যোগত ৰাজনৈতিক দলসমূহৰ লগত এখন বৈঠক অনুষ্ঠিত কৰা হয়। এই বৈঠকত জিলাখনৰ নিৰ্বাচনী আয়োগৰ পঞ্জীয়নভুক্ত সকলো দলৰ প্ৰতিনিধি উপস্থিত থাকে। জিলাখনৰ আয়ুক্ত ৰৌহন কুমাৰ ঝাৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ত এই বৈঠকখন অনুষ্ঠিত হয়। আনহাতে, আসন্ন বিধানসভা নিৰ্বাচনক লৈ কালি বজালী জিলাৰ আয়ুক্ত প্ৰাৰ্থ প্ৰতীম মজুমদাৰে সংবাদ মেল আয়োজন কৰি জিলাখনৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিষয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। জিলাখনৰ অন্তৰ্গত বজালী সমষ্টি আৰু ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বাবে জিলা প্ৰশাসন সম্পূৰ্ণ প্ৰস্তুত বুলি সংবাদ মেলত জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। নিৰ্বাচনী আয়োগৰ নিৰ্দেশনা অনুযায়ী নিৰ্বাচনী কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ লগতে জিলাখনত আদৰ্শ ভোটদান কেন্দ্ৰ আৰু মহিলা সকলৰ দ্বাৰা পৰিচালিত ভোটদান কেন্দ্ৰৰো ব্যৱস্থা থাকিব বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনেও নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে তৎপৰতা অৱলম্বন কৰিছে। জিলা প্ৰশাসনৰ ফালৰ পৰা নিৰ্বাচনৰ দায়িত্বত থকা ৰিটাৰ্নিং বিষয়া গৌৰৱ কুমাৰ দাসে কালি এখন সংবাদমেল আয়োজন কৰি নিৰ্বাচনৰ বাবে জিলাখনৰ একমাত্ৰ মানকাচৰ বিধানসভা সমষ্টিত গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থা তথা আচৰণবিধি সম্পৰ্কে সংবাদ মাধ্যমক অৱগত কৰে।

কামৰূপ মহানগৰ জিলা আয়ুক্ত স্বপ্নীল পালে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিধানসভা নিৰ্বাচন সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত আয়ুক্তগৰাকীয়ে কামৰূপ মহানগৰ জিলাৰ নিৰ্বাচনী প্ৰস্তুতি আৰু জিলাখনৰ ভোটগ্ৰহণ কেন্দ্ৰ আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিষয়ে উল্লেখ কৰে। জিলাখনত এহেজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ লগতে ১২০টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব বুলিও তেওঁ উল্লেখ কৰে। নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পাছতে জিলাখনত এহেজাৰ ৩১৯টা অস্ত্ৰ-শস্ত্ৰ জমা কৰা হৈছে বুলি উল্লেখ কৰে।

মাজুলী বিধানসভা সমষ্টিত শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ সকলো বিষয়ববীয়া তথা জিলাখনৰ ৰাজনৈতিক দলসমূহৰ জিলা পৰ্যায়ৰ মুৰব্বীসকলৰ সৈতে এখন সভা অনুষ্ঠিত কৰা হয়। মাজুলী সমষ্টিত মুঠ এক লাখ ৪৪ হাজাৰ ৮৩৭ গৰাকী ভোটাৰে এইবাৰ ভোটদান কৰিব। ইয়াৰে ৭৩ হাজাৰ ৫৪৫ গৰাকী পুৰুষ ভোটাৰ আৰু ৭১ হাজাৰ ২৯২ গৰাকী মহিলা ভোটাৰ বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। মাজুলী জিলাত এইবাৰ মুঠ ১৮৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰাৰ লগতে ২০টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। জিলাখনত যাতায়াতৰ বাবে ১৯টা ভোটগ্ৰহণ কেন্দ্ৰ দুৰ্গম হিচাপে চিহ্নিত কৰা হৈছে।

চৰাইদেউ জিলা নিৰ্বাচন বিভাগে নিৰ্বাচনী প্ৰক্ৰিয়া নিকা আৰু সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা জাৰি কৰা এক জাননীৰ জৰিয়তে জিলাখনত এটা নিৰ্বাচনী নিয়ন্ত্ৰণ কক্ষ আৰু অভিযোগ নিৰীক্ষণ কোষ কাৰ্যক্ষম কৰি তোলা হৈছে। নিৰ্বাচন সংক্ৰান্তীয় যিকোনো অভিযোগ বা সহায়ৰ বাবে জিলাখনৰ ভোটাৰে ১৯৫০ টোল ফ্ৰি নম্বৰ আৰু দুটাকৈ মোবাইল নম্বৰ মুকলি কৰি দিয়া হৈছে। যোৰহাট জিলাতো শান্তিপূৰ্ণ আৰু নিকাভাৱে নিৰ্বাচন সম্পন্ন কৰাৰ উদ্দেশ্যে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰাৰ অধীনত যোৰহাট নিৰ্বাচনী জিলাৰ সমগ্ৰ এলেকাত অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰ কঢ়িওৱাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

ডিব্ৰুগড় জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীয়ে চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। উপায়ুক্তগৰাকীয়ে বিদ্যালয়খনত ভোটাধিকাৰ সাব্যস্ত কৰাৰ সময়ত প্ৰয়োজনীয় বিভিন্ন সুবিধাসমূহৰ বিষয়ে বিতংকৈ পৰ্যালোচনা কৰে। লগতে জিলা প্ৰশাসনৰ কেইবাটাও বিভাগৰ বিষয়া কৰ্মচাৰীৰ সৈতে তেওঁ মিলিত হয়।

০০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা লোকসভাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি দলৰ পৰা পদত্যাগ কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰীবৰদলৈয়ে দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। ইপিনে, মুখ্যমন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টীৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰী বৰদলৈৰ বাবে দলৰ দুৱাৰ খোলা থকা বুলি উল্লেখ কৰি আসন্ন নিৰ্বাচনত তেওঁক দলীয় টিকট প্ৰদান কৰিবলৈ দল সাজু থকা বুলি মন্তব্য কৰিছে।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ-সভাপতি নৱজ্যোতি তালুকদাৰেও পদত্যাগ কৰিছে। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ এখন পত্ৰ প্ৰেৰণ কৰি নিজৰ বিষয়-বাবৰ লগতে দল ত্যাগ কৰাৰ কথাও তেওঁ ঘোষণা কৰে। দুয়োগৰাকী নেতাই অচিৰে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰাৰ সম্ভাৱনাৰ কথা প্ৰকাশ পাইছে।

**বাইট (প্ৰদ্যুৎ বৰদলৈ)**

০০০০০০

অহা ২১ মার্চত ড'মিনিকান ৰিপাব্লিকত আয়োজিত বিশ্ব কবিতা মহোৎসৱত অসমৰ ছগৰাকী বিশিষ্ট কবিয়ে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰাৰ লগতে আৰ্জেণ্টিনাৰ ৰাজধানী চহৰ বুয়েন্সছ আয়াৰ্ছৰ পৰা অবিৰত ২৪ ঘণ্টা জুৰি সম্প্ৰচাৰ কৰা হ'ব। মহোৎসৱত অসমৰ ছগৰাকী কবিৰ কবিতা আধাঘণ্টাৰ বাবে সম্প্ৰচাৰ কৰা হ'ব। মহোৎসৱত ড০ লুটফা হানুম ছেলিমা বেগম, ৰাজীৱ বৰুৱা, ড০ এম কামালুদ্দিন আদমেদ, কুশল দত্ত, বৰ্ণালী বৰগোহাঁই আৰু ড০ বিজয় শংকৰ বৰ্মনে অসমক প্ৰতিনিধিত্ব কৰিব। বিশিষ্ট কবি ৰাজীৱ বৰুৱাই এই মহোৎসৱত অসমীয়া ভাষাৰ সমন্বয়ক হিচাপে অংশ ল'ব। বিশ্বৰ বিভিন্ন দেশৰ কবিসকল একেখন মঞ্চত সমৱেত হোৱা এই মহোৎসৱৰ পঞ্চম সংস্কৰণৰ বিষয় হৈছে- বিশ্বৰ বাবে ন্যায় আৰু সৌন্দৰ্য। ৫২ খন দেশৰ ৪৯ টা ভাষিক আৰু অন্য গোটৰ ৩৮৪ গৰাকী কবিয়ে এই অনুষ্ঠানত অংশ ল'ব। ২১ মাৰ্চৰ দিনৰ ১ বজাৰ পৰা অসমৰ কবিসকলৰ কবিতা ফে'ইচবুক, ইউটিউব আৰু অন্যান্য মাধ্যমযোগে প্ৰচাৰ কৰা হ'ব। উল্লেখযোগ্য যে বিভিন্ন ভাষা, সংস্কৃতি আৰু মহাদেশৰ মাজত মানৱীয় সমন্বয় আৰু সম্প্ৰীতিৰ মনোভাৱ বিকশাই তোলাৰ লগতে কবিতাক ইতিবাচক শক্তিৰ আধাৰ হিচাপে পৰিগণিত কৰাৰ বাবে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০০

দক্ষিণ শালমাৰা ৰাজহ চক্ৰৰ হাজিৰঘাট অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়াই জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। সোমবাৰে নিশা খহনীয়াৰ ফলত গাঁওখনৰ ১০টা পৰিয়ালৰ ঘৰ-বাৰী, মাটি-ভেটি জাহ যায়। উল্লেখযোগ্য যে, প্ৰায় দুটা দশক ধৰি অঞ্চলটোত খহনীয়াৰ সমস্যা অব্যাহত আছে। অঞ্চলটোৰ শতাধিক পৰিয়ালৰ অস্তিত্বৰ প্ৰতি খহনীয়াই ভাবুকিৰ সৃষ্টি কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলা প্ৰশাসনে কালি জিলাখনৰ পল্টনবজাৰত উচ্ছেদ অভিযান চলায়। ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰৰ পাৰত ৯ বিঘা ভূমিত অবৈধভাৱে থকা ৬০ টাৰো অধিক বাসগৃহ উচ্ছেদ কৰে। ডিব্ৰুগড় ন্যায়িক আদালতে ২০২২ চনত প্ৰদান কৰা ৰায়ৰ ভিত্তিত অঞ্চলটোৰ ফণিবন্দৰ ভূমিত এই উচ্ছেদ অভিযান চলায়।

০০০০০০

ওদালগুৰি জিলাৰ টংলাৰ সাংস্কৃতিক অনুষ্ঠান দাপোণ দ্য মিৰৰত কালিৰে পৰা দুদিনীয়াকৈ অভিনয়ৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ ব্যৱহাৰিক অভিনয় বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে এম্বোডিড পাৰ্ফৰমেন্স শীৰ্ষক এই কৰ্মশালাত যোগদান কৰে। কৰ্মশালাখন অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড০ বি কল্যাণ চক্ৰৱৰ্তীয়ে উদ্বোধন কৰে।

০০০০০০

৫৬ সংখ্যক ছিংগাপুৰ ৰাষ্ট্ৰীয় সাঁতোৰ চেম্পিয়নশ্বিপত অসমৰ আস্থা চৌধুৰীয়ে ২০০ মিটাৰ বাটাৰফ্লাইত নতুন অভিলেখ গঢ়ি স্বৰ্ণ পদক অৰ্জন কৰিছে। কালি প্ৰতিযোগিতাৰ প্ৰথম দিনা আস্থাই ১৮ বছৰ উৰ্ধৰ এই শাখাত শ্ৰেষ্ঠত্ব অৰ্জনেৰে অভিলেখ গঢ়ে। প্ৰতিযোগিতাত খেলুৱৈগৰাকীয়ে কৰ্ণাটকৰ ইন্সপায়াৰ ইনষ্টিটিউট অব স্পোৰ্টছৰ হৈ অৱতীৰ্ণ হৈছিল। ইয়াৰ আগেয়ে ২০২১ চনত ১০০ মিটাৰ বাটাৰফ্লাইতো আস্থাই অভিলেখ গঢ়িছিল।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনক লৈ নিৰ্বাচন আয়োগ তথা ৰাজনৈতিক দলসমূহৰ তৎপৰতা, কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ দলত্যাগ, ৰন্ধন গেছৰ সংকটকে ধৰি বিভিন্ন খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

নিৰ্বাচনকেন্দ্ৰিক বাতৰিসমূহকেই আজিৰ কাকতসমূহে বিশেষ অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হৈছে। বিজেপি মিত্ৰজোঁটৰ আসন ভাগ-বাটোৱাৰাৰ লগতে বিভিন্ন নেতাৰ দলত্যাগ, বিভিন্ন দলৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ আদি

বাতৰিয়ে কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ সৰহখিনি স্থান দখল কৰিছে। ইয়াৰে অসমীয়া খবৰ কাকতৰ শিৰোনাম **অৱশেষত প্ৰদ্যুৎ বৰদলৈৰ কংগ্ৰেছ ত্যাগ**। দৈনিক অসম কাকতৰ শিৰোনাম **দিল্লীত বিজেপি নেতৃত্বৰ বৈঠকত চূড়ান্ত আসন বুজাবুজি, প্ৰাৰ্থীৰ তালিকা- ৮৯ সমষ্টিত বিজেপি, ২৬টা অগপ আৰু ১১টাত বিপিএফ**। **৭ জনীয়া প্ৰাৰ্থীৰ তালিকাৰে এনডিএৰ ওপৰত হেঁচা প্ৰয়োগৰ কৌশল ইউ পি পি এলৰ** শীৰ্ষক এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অগ্ৰদূত কাকতৰ এটা মুখ্য বাতৰিৰ শিৰোনাম **দিল্লীৰ কেন্দ্ৰীয় নেতৃত্বৰে বৈঠকত চূড়ান্ত প্ৰাৰ্থীৰ তালিকা- বিজেপিৰ আধা দজন মন্ত্ৰী-বিধায়ক বঞ্চিত**। দা ছেণ্টিনেল কাকতেও **ECI DEPLOYS 136 CENTRAL OBSERVERS IN ASSAM** শিৰোনামেৰে নিৰ্বাচন আয়োগৰ প্ৰস্তুতিৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পাকিস্তানে কাবুলত চলোৱা ভয়ংকৰ আক্ৰমণত ৪শৰো অধিক লোকৰ মৃত্যু হোৱাৰ বাতৰি এটাও আজি বিভিন্ন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোৰ দি আছাম ট্ৰিবিউন কাকতৰ শীৰ্ষক **PAK AIRSTRIKE KILLS 400 IN KABUL DRUG REHAB CENTER**। দৈনিক জনমভূমি কাকতেও **কাবুলত ভয়ংকৰ আক্ৰমণ পাকিস্তানৰ, 4 শতাধিক আফগানিৰ মৃত্যু, ২৫০ জন আহত** শিৰোনামেৰে এটা বক্স বাতৰি প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতৰ জ্যেষ্ঠ সাংবাদিক উৎপল চক্ৰৱৰ্তীৰ দেহাৱসানৰ বাতৰি এটা কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ চূড়ান্ত ৰায়ৰ বাবে ছিংগাপুৰৰ কৰনাৰ্ছ আদালতে ২৫ মাৰ্চৰ দিনটো ধাৰ্য কৰাৰ এটা খবৰ আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ভাৰতৰ আকৰ্ষি কাশ্যপে অৰ্লিনছ মাষ্টাৰ্ছ ২০২৬ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ মূল পৰ্বত প্ৰৱেশ কৰিছে। আকৰ্ষিয়ে কালিৰ দুয়োখন যোগ্যতা নিৰ্ণয়কাৰী খেলত জয়লাভ কৰি এই সাফল্য অৰ্জন কৰে।

ফ্ৰান্সৰ পেলেইচ ডেচ স্পৰ্টছত অনুষ্ঠিত প্ৰতিযোগিতাত আকৰ্ষিয়ে প্ৰথমখন খেলত প্ৰতিদ্বন্দ্বী শ্ৰিয়াংশী ভালিশেট্টিক ২১-১৯, ১৭-২১, ২১-১৩ ব্যৱধানত আৰু দ্বিতীয় খেলখনত চাইনিজ টাইপেইৰ লি ইউ-হ্সুৱানক ২১-১৭, ২১-১৯ ব্যৱধানত পৰাজিত কৰে। মূল পৰ্বৰ প্ৰথম ৰাউণ্ডত আকৰ্ষিয়ে ছিংগাপুৰৰ কমনৱেলথ গেমছৰ ব্ৰঞ্জ পদক বিজয়ী ইয়েও-জিয়া মিনৰ বিৰুদ্ধে খেলিব।

ইপিনে, পুৰুষ ডাবলছৰ প্ৰথম ৰাউণ্ডত চাইনিজ টাইপেইৰ লাই পো-ইউ আৰু ছাই ফু-চেং জুটিয়ে ভাৰতৰ অৰ্জুন ৰেড্ডি পোচানা আৰু অচ্যুতাদিত্য ৰাঅ' দোদ্দাভাৰাপুৰ জুটিক ২১-৭, ২১-৯ ব্যৱধানত পৰাস্ত কৰিছে।

আজি বি ডব্লিউ এফ ছুপাৰ 300 প্ৰতিযোগিতাত বিশ্বৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ কিদাম্বী শ্ৰীকান্তৰ লগতে যুৱ খেলুৱৈ আয়ুষ শেট্টি, মালভিকা বাঞ্চ'ড়, অনমল খৰ্ব আৰু তনভী শৰ্মায়ো নিজৰ অভিযান আৰম্ভ কৰিব। ভাৰতৰ শীৰ্ষ ডাবলছ যুটী সাত্বিক-সাইৰাজ ৰাংকিৰেড্ডি আৰু চিৰাগ শেট্টী, দুবাৰকৈ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধু আৰু লক্ষ্য সেনে এইবাৰৰ অৰ্লিনছ মাষ্টাৰ্ছত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল আৰু মেঘালয়ৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**